# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-03-2024
**Time :** 1800 Hrs.

## *ASSAMESE REGIONAL EVENING BULLETIN*

::::::::::::::::::::::::::::::::::::

## HEADLINES

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে সমষ্টিয়ে সমষ্টিয়ে ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিশেষকৈ অহা ১৯ এপ্ৰিলত ৫টা সমষ্টিত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি চৰাইদেউ জিলাৰ মাহমৰাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। জিলাখনৰ আনকেইবাটাও স্থানত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে প্ৰচাৰ চলায়। দলীয় সমৰ্থকে শ্ৰীগগৈক মটৰচাইকেল সমদলেৰে আদৰি নিয়ে। কাজিৰঙা লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়ে দলীয় কৰ্মীসকলক লগত লৈ আজি গোলাঘাটৰ মেৰাপানী, তৰাণি, ক'লাজান আদি অঞ্চলত ভোটাৰৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে নামঘৰত গৈ আশীৰ্বাদ গ্ৰহণ কৰে। নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈও নগাঁও নগৰত নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে শোণিতপুৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিৎ দত্তই ঢেকীয়াজুলিৰ বৰচলাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই সভাখনত মন্ত্ৰী অশোক সিংঘলো উপস্থিত থাকে। কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ মন্ত্ৰী অজন্তা নেওগে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে দলীয় কৰ্মীক লগত লৈ ফৰকাটিং, আঠগাঁও, জামগুৰি, পুলিবৰ আদি কেইবাখনো গাঁও পঞ্চায়ত এলেকাত প্ৰচাৰ চলায়। নিৰ্বাচনী প্ৰচাৰ অভিযানৰ লগতে ভাৰতীয় জনতা পাৰ্টীৰ গোলাঘাট জিলা কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত কংগ্ৰেছৰ শতাধিক নেতা-কৰ্মীয়ে বিজেপিত যোগদান কৰে। নগাঁও সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ মন্ত্ৰী পীযূষ হাজৰিকাই ধিঙৰ খৈৰাবাৰী চৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। বিজেপি প্ৰাৰ্থী সুৰেশ বৰা উপস্থিত থকাত এই সভাখনত পাঁচ শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে বিজেপিত যোগদান কৰে। ইপিনে যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন গগৈয়ে মাজুলীৰ ১১টা স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। স্থানীয় বিধায়ক ভূবন গাম আৰু দলীয় কাৰ্যকৰ্তাসকলক লৈ শ্ৰীগগৈয়ে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। আঞ্চলিক দল অসম গণ পৰিষদ, বিজেপিৰ মিত্ৰদল ইউ পি পি এলৰ লগতে আম আদমী পাৰ্টীয়েও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

ooooo

শিৱসাগৰ জিলাত শান্তি-শৃংখলাৰ পৰিস্থিতি বিঘ্নিত হোৱাৰ আশংকা কৰি শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱে জিলাখনত তৎকালে বলৱত হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি অনুমতিবিহীন ভাবে বা বে-আইনী কাৰ্যকলাপৰ উদ্দেশ্যে ১০ জন বা তাতোধিক লোকৰ সমাবেশ নিষিদ্ধ কৰিছে। ইয়াৰ উপৰি এই নিৰ্দেশ অনুসৰি

যিকোনো ব্যক্তি বা ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয় আদিৰ পৰা কোনো ধৰণৰ বৰঙণি সংগ্ৰহ তথা প্ৰদান আৰু এই ক্ষেত্ৰত ভীতি প্ৰদৰ্শন কৰা, প্ৰতিমূৰ্তি দাহ, পথ বন্ধ, অস্ত্ৰ-শস্ত্ৰ লগত লৈ ফুৰাৰ লগতে ৰাজহুৱা সম্পত্তি ধংস কৰিব নোৱাৰিব। এই নিষেধাজ্ঞাসমূহ তৎকালিনভাৱে বলৱৎ হৈছে আৰু পৰৱৰ্তী ৬০ দিনলৈ বা পুনৰ আদেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব। যিকোনো অনুষ্ঠান আয়োজন কৰাৰ ক্ষেত্ৰত এই নিষেধাজ্ঞাপ পৰা ৰেহাই পাবলৈ জিলা প্ৰশাসনৰ পৰা আগতীয়াকৈ অনুমতি ল'ব লাগিব। আৰক্ষী থানাসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকলে এই ক্ষেত্ৰত চোকা দৃষ্টি ৰাখি শান্তিপূৰ্ণ পৰিস্থিতি বিঘ্নিত কৰা লোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব। দণ্ডাধীশ, নিৰাপত্তাৰক্ষী বা সেনা বাহিনীৰ লোক, কৰ্তব্যৰত অসামৰিক বিষয়াসকল এই নিষেধাজ্ঞাৰ আওতাত নপৰিব। আদেশ অমান্য কৰাসকল ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৪ ধাৰা অনুসৰি দণ্ডনীয় হ'ব।

০০০০০

অসম সত্ৰ মহাসভা, সত্ৰীয়া সংস্কৃতিৰ চৰ্চা কেন্দ্ৰ, পৰীক্ষা পৰিষদ আৰু অসম সত্ৰ মহাসভা সাংস্কৃতিক মহাবিদ্যালয়ৰ যৌথ উদ্যোগত আজি মাজুলীৰ নতুন কমলাবাৰী সত্ৰত কেন্দ্ৰীয় চৰকাৰৰ  সাংস্কৃতিক মন্ত্ৰালয়ৰ সংগীত নাটক একাডেমী বঁটা প্ৰাপক মাজুলীৰ চাৰিগৰাকী ব্যক্তিক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। অসম সত্ৰ মহাসভাৰ সচিব কুসুম কুমাৰ মহন্তৰ সঞ্চালনাত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱাই ভবেন বৰা বৰবায়ন, কৰণা বৰা, মুকুন্দ শইকীয়া আৰু গোবিন্দ শইকীয়াক সম্বৰ্ধনা জনায়।

০০০০০

যোৰহাট জিলাৰ মীন উন্নয়ন বিষয়াই জিলাখনত অহা ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ অসম মীন আইনৰ আধাৰত মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। মাছৰ উৎপাদন বৃদ্ধি আৰু প্ৰজননৰ এই সময়ছোৱাত জধে মধে মাছ ধৰা, আঁঠুৱা জাল, ফাঁচী জাল আৰু অন্য যিকোনো জালৰ ব্যৱহাৰৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছে। এই আইন ভংগকাৰীসকলৰ বিৰুদ্ধে বিধি অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মীন উন্নয়ন বিষয়াগৰাকীয়ে জানিবলৈ দিছে।

০০০০০

গোলাঘাট বন সংমণ্ডলৰ বকিয়াল খণ্ড বন কাৰ্যালয়ৰ অধীনৰ ২ নম্বৰ বুঢ়াগোহাঁইখাটৰ কালীয়নি বাগিচাৰ গুটীবাৰিত আজি এটা নাহৰ ফুটুকীৰ মৃতদেহ উদ্ধাৰ হয়। বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ নাহৰ ফুটুকীটোৰ মৰনোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে তদন্ত অব্যাহত ৰাখিছে।

০০০০০

ঃসমাপ্তঃ